# হে ৰাম !



প্ৰকাশক -
দৰ্শন বিভাগ
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ
ধুবুৰী ঃঃ অসম

Scanned with OKEN Scanner

177

# হে ৰাম !

DEPARTMENT OF PHILOSOPHY, P.B. COLLEGE, GAURIPUR
Date : ..................
Accession No. ........ 177

**সম্পাদক**
আমিনুৰ ইছলাম, শ্যামল চন্দ্ৰ সৰকাৰ, দিগম্বৰ চন্দ্ৰ নাথ
দৰ্শন বিভাগ,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ (অসম)

# Hey Ram !

Edited by-
Aminur Islam,
Shyamal Ch. Sarkar
Digambar Ch. Nath

ISBN 978-81-928411-7-5

কৃতজ্ঞতা স্বীকাৰ—
Zand Educational & Research Foundation, Gauripur

প্ৰথম প্ৰকাশ
২০১৮

প্ৰকাশক
দৰ্শন বিভাগ,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ

মুদ্ৰণ
ছিদ্দিক অফছেট প্ৰিন্টিং প্ৰেছ, গৌৰীপুৰ (বেপাৰীপুট্টী)
জিলা ঃ ধুবুৰী (অসম)
পিন- ৭৮৩৩৩১
E-mail : Abusiddique157@gmail.com
Phone : 8876130698, 7002705600

মূল্য ঃ ১৫০.০০ টকা মাত্ৰ

## আগকথা

মৃত্যু পথত বাপুজী (গান্ধীজী)ৰ পৃথিবীত শেষ উচ্চাৰিত শব্দ আছিল— “হে ৰাম”! ১৯৪৮ চনৰ ৩০ জানুৱাৰী তাৰিখে দিল্লীৰ বিৰলা ভৱনৰ পৰা ওলাই সান্ধ্য প্ৰাৰ্থনাৰ বাবে গান্ধীজী যেতিয়া তেওঁৰ সহায়কাৰী আভা আৰু মনুৰ কান্ধত হাত থৈ প্ৰাৰ্থনা সভালৈ আগবাঢ়ি গৈছিল, তেনে সময়ত ভীৰৰ মাজৰ পৰা নাথুৰাম গডছে নামৰ সন্ত্ৰাসবাদীজনে পিস্তলেৰে পয়েণ্ট ব্লাঙ্ক দূৰত্বৰ পৰা গান্ধীজীক লক্ষ্য কৰি ধাৰাসাৰে তিনিজাই গুলী কৰে। নাথুৰাম গডছেৰ গুলীত ৰক্তাক্ত গান্ধীজী তৎক্ষণাত মাটিত ঢলি পৰে আৰু হে ৰাম শব্দ উচ্চাৰণ কৰি শেষ নিঃশ্বাস ত্যাগ কৰে। যিজন গান্ধীজী নিজৰ মৰণকো কেৰেপ নকৰি সত্য আৰু অহিংসাৰ পথত দৃঢ়তাৰে থাকি অশেষ দুখ-যন্ত্ৰণা ভোগ কৰি ঔপনিৱেশিক শাসক ইংৰাজৰ হাতৰ পৰা দেশ আৰু জনতাক মুক্ত কৰি দেশবাসীক স্বাধীনতাৰ সোৱাদ দিবলৈ সক্ষম হৈছিল, সেইজন গান্ধীজী নিজেই দেশৰ স্বাধীনতাৰ সোৱাদ অনুভৱ কৰাৰ পূৰ্বেই এইদৰে মৰ্মান্তিকভাৱে পৃথিৱীৰ পৰা বিদায় ল'বলগীয়া হৈছিল।

উল্লেখযোগ্য যে গান্ধীজীৰ হত্যাকাণ্ড আছিল স্বাধীন ভাৰতত সংঘটিত কোনো ৰাজনৈতিক নেতাৰ ওপৰত সংঘটিত প্ৰথমটো সন্ত্ৰাসবাদী আক্ৰমণ আৰু হত্যাকাৰী নাথুৰাম গডছেৰ ফাঁচী আছিল স্বাধীন ভাৰতত কাৰ্য্যকাৰি হোৱা প্ৰথমটো মৃত্যুদণ্ড। এইক্ষেত্ৰত এটা কথা আমি দাবী সহকাৰে কব পাৰোঁ যে গুলী খোৱাৰ পাছতো কোনো কাৰণবসতঃ যদি মহাত্মা গান্ধীৰ প্ৰাণ ৰক্ষা পৰিল হয়, তেন্তে নিশ্চিতভাৱে গান্ধীজী নাথুৰাম গডছেক ক্ষমা কৰি দিলে হয়। কাৰণ, গান্ধীজী আছিল ক্ষমা আৰু অহিংসাৰ প্ৰতীক। দুখ আৰু পৰিতাপৰ বিষয় এয়াই যে নাথুৰাম গডছে গান্ধীজীক এবাৰহে হত্যা কৰিছিল ঠিকে, কিন্তু সাম্প্ৰতিক দেশৰ একাংশ ৰাজনৈতিক নেতাৰ হাতত গান্ধীজী যেন মৃত্যুৰ পিছতো প্ৰতিনিয়ত অপমানিত হৈছে আৰু মৃত্যু বৰণ কৰিছে বাৰে বাৰে। অথচ স্বাধীন ভাৰতবৰ্ষ এইজন মহাত্মা গান্ধীৰ নামতে বিশ্বত পৰিচিত।

স্বাধীন ভাৰতবৰ্ষৰ ৰামৰাজ্য স্থাপনৰ সপোন দেখা মহাত্মা গান্ধীৰ মৃত্যুৰ আজি প্ৰায় সাতটা দশক অতিক্ৰম কৰাৰ পথত। এই দীৰ্ঘ সময় ধৰি গান্ধীজীৰ চিন্তা-দৰ্শনৰ ওপৰত অনেক গৱেষণা তথা অসংখ্য পুথি ৰচিত হৈছে। তথাপিও তেওঁক লৈ আজিও যেন কবি, সাহিত্যিক, লেখক আৰু গৱেষকৰ কৌতুহলৰ

Scanned with OKEN Scanner

## মহাত্মা গান্ধী
## আধুনিক ভাৰতৰ এক বিস্ময়কৰ ঘটনা

*আমিনুৰ ইছলাম*

সাম্প্ৰতিক বিশ্বৰ প্ৰায় ৭০০ কোটি জনতাৰ মাজত নানা সংকটে দেখা দিছে। সন্ত্ৰাসবাদ, বিচ্ছিন্নবাদ, হত্যা-হিংসা, ধৰ্ষণ, অপহৰণ, বোমা বিস্ফোৰণ, বিভিন্ন ৰাষ্ট্ৰৰ মাজত অত্যাধুনিক মানৱতা বিধ্বংসী মাৰণাস্ত্ৰ নিৰ্ম্মানৰ প্ৰতিযোগীতা ইত্যাদি। অৰ্থাৎ অন্তহীন সমস্যাৰে জৰ্জৰিত সমগ্ৰ বিশ্ব। ইয়াৰ মাজতে আকৌ তথাকথিত বিশ্ব শান্তি প্ৰতিষ্ঠাৰ নামত নানা আন্তঃৰাষ্ট্ৰীয় গোট, অনুষ্ঠান, প্ৰতিষ্ঠান আদিও প্ৰতিষ্ঠা কৰা হৈছে। আনকি, শান্তি স্থাপনৰ বাবে ৰাষ্ট্ৰবোৰে নিজস্বভাৱেও অনেক আইন তথা কৌশল অৱলম্বন কৰাটো পৰিলক্ষিত হৈছে। কিন্তু দেশীয় বা আন্তঃৰাষ্ট্ৰীয়ভাৱে শান্তি প্ৰতিষ্ঠাৰ দৌৰ যিমানেই বৃদ্ধি কৰা হৈছে, 'শান্তি' যেন সিমানেই এনেবোৰ প্ৰচেষ্টাৰ পৰা নিজকে নিলগত ৰাখিছে। ইয়াৰ নিশ্চয় নানাবিধ কাৰণ আছে। সি যি কি নহওক, এনে হত্যা-হিংসাৰ মাজতে 'মহাত্মা গান্ধী' খ্যাত মোহন দাস কৰমচাঁদ গান্ধী নামৰ ব্যক্তিজনৰ জন্ম তিথিটোৰ লগত সংগতি ৰাখি তেওঁৰ মৃত্যুৰ পিছৰে পৰা ভাৰতবৰ্ষত ২ অক্টোবৰ দিনটোক 'গান্ধীজয়ন্তী' আৰু বিগত ২০০৯ চনৰ পৰা বিশ্বব্যাপি উক্ত দিনটো 'আৰ্ন্তজাতিক অহিংসা দিৱস' হিচাবে পালিত হৈ আহিছে। ই ভাৰতবাসীৰ বাবে নিশ্চিতৰূপে এক অত্যন্ত গৌৰৱৰ বিষয়।

মহত্মা গান্ধী ভাৰতৰ 'জাতিৰ পিতা' বুলি জনাজাত। কিন্তু এই উপাধি তেওঁক চৰকাৰীভাৱে দিয়া হোৱা নাছিল। ঠিক তেনেকৈ 'মহাত্মা' নামো দেশীয় চৰকাৰে দিয়া নাম নহয়, ১৯১৫ চনতে কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে দিয়া নাম। কেতিয়াবা দেশৰ জনতাই তেওঁক মহাত্মা নাম দিয়া বুলি কোৱা হয়। কিন্তু 'মহাত্মা'



বা 'জাতিৰ পিতা' চৰকাৰীভাৱে স্বীকৃতি দিয়া হওক বা নহওক, দেশবাসীৰ বাবেই তেওঁৱেই জাতিৰ 'জনক' কিম্বা 'মহাত্মা' হৈ আছে আৰু যুগ যুগান্তৰলৈ থাকিব। ইয়াৰ বাবে নতুনকৈ চৰকাৰী স্বীকৃতি দেশবাসীৰ বাবে প্ৰয়োজন নাই।

ভাৰতবৰ্ষৰ বৃহত্তম ৰাজনৈতিক দল 'ভাৰতীয় জাতীয় কংগ্ৰেছ'ৰ সৈতে মহাত্মা গান্ধীৰ নামটো বিশেষভাৱে সম্পৰ্কিত। কাৰণ এটা সময়ত দলটোৰ কোনো প্ৰাথমিক সদস্য পদত নথকাৰ পিছতো দলটোৰ শীৰ্ষ নেতা হিচাবে তেওঁকেই মান্যতা দিয়া হৈছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম (১৮৮৫) লগ্নৰে পৰা কেবাজনো বৃহৎ ব্যক্তিত্বই দলটোক নেতৃত্ব প্ৰদান কৰিছিল। দেশৰ স্বাধীনতা সংগ্ৰামত মূখ্য ভূমিকা লোৱা দলটো বিভিন্ন ৰাজনীতিবিদে নেতৃত্ব দি অবিস্বৰনীয় ভূমিকা ৰাখিছে। জৱাহৰলাল নেহৰু, মহম্মদ আলি জিন্না তাৰে ভিতৰত দুটা অন্যতম নাম। কিন্তু মহাত্মা গান্ধীৰ নেতৃত্ব আৰু ৰাজনীতি আছিল আন সকলোতকৈ ব্যতিক্ৰম। গান্ধীজী অবিভক্ত ভাৰতবৰ্ষৰ ৰাজনীতিৰ এনে এক অতুলনীয় ব্যক্তিত্ব আছিল যে তেওঁ যেন দেশৰ নেতা নাছিল, আছিল এক বিস্ময়কৰ ঘটনা।

যিকোনো সমস্যা যেনে— ৰাজনীতি, অৰ্থনীতি, সমাজনীতি ইত্যাদি সমস্যা সমাধানৰ ক্ষেত্ৰত তেওঁৰ একমাত্ৰ শিক্ষাই আছিল 'অহিংসা'। গান্ধীজী যিকোনো পৰম্পৰাগত ৰাজনৈতিক নেতাৰ দৰে নাছিল। বিংশ শতাব্দিৰ আৰম্ভণীত (১৯০১) লণ্ডনৰ পৰা বেৰিষ্টাৰ পাছ কৰি দেশত উভতি আহি আইন ব্যৱসায় আৰম্ভ কৰে যদিও সফলতাই তেওঁৰ সঙ্গ দিয়া নাছিল। এনেতে দক্ষিণ আফ্ৰিকাৰ নাটাল প্ৰদেশত থকা এজন বিখ্যাত প্ৰবাসী ভাৰতীয় ব্যৱসায়ী আব্দুল্লাহ সেইখৰ আমন্ত্ৰণক্ৰমে গান্ধীজী দক্ষিণ আফ্ৰিকা (১৯১৩) লৈ যায়। দক্ষিণ আফ্ৰিকাত প্ৰবাসী হিচাবে থকাকালীন দিনতে ঘটনাক্ৰমে পোন প্ৰথমবাৰৰ বাবে নিজৰ জীৱনত নাটকীয় পৰিৱৰ্তন আহে আৰু ১৯১৫ চনত ভাৰতলৈ ঘুৰি আহে। উল্লেখযোগ্য যে গান্ধীৰ জীৱনত অহা এই নাটকীয় পৰিৱৰ্তনে দেশত ইতিমধ্যে আৰম্ভ হোৱা স্বাধীনতা সংগ্ৰামত তেওঁ জড়িত হোৱাৰ সুযোগ আনি দিয়ে।

দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰত ঘুৰি আহি কলিকতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ এক সন্মিলনত (১৯১৭) যোগদান কৰে। কলিকতা জাতীয় কংগ্ৰেছৰ এই সন্মিলনত যোগদান আছিল গান্ধীজীৰ কোনো কংগ্ৰেছৰ সন্মিলনত উপস্থিত থকাৰ প্ৰথম অভিজ্ঞতা। সন্মিলনখনত অনেক প্ৰভাৱশালী নেতাই মঞ্চৰ

Scanned with OKEN Scanner

# সূচীপত্ৰ


১। হে ৰাম ..................... ১

*ড° শ্যামল চন্দ্ৰ সৰকাৰ*

২। মহাত্মা গান্ধীজীৰ জীৱন, দৃষ্টি আৰু সংগ্ৰাম ..................... ৯

*মেহেৰুন নেছা*

৩। ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কে গান্ধীজীৰ ধাৰণা ..................... ২২

*নাজৰিণ চুলতানা পাৰবিন*

৪। গান্ধীজীৰ সপোনৰ ৰামৰাজ্য ..................... ৪০

*জেছমিনা খাতুন*

৫। গান্ধীজী আৰু তেওঁৰ অহিংসা নীতিৰ ভূমিকা ..................... ৬২

*ছামিনুল ইছলাম মণ্ডল*

৬। গান্ধীজীৰ বুনিয়াদি শিক্ষাৰ মৌলিক নীতি ..................... ৭৯

*বেগম উম্মা হাবিবা*

৭। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ বন্ধুত্ব ..................... ৯৭

*দিগম্বৰ চন্দ্ৰ নাথ*

৮। মহাত্মা গান্ধী আধুনিক ভাৰতৰ এক বিস্ময়কৰ ঘটনা ..................... ১০৩

*আমিনুৰ ইছলাম*


Scanned with OKEN Scanner